B.Com 1st Semester

Business Communication (Assamese)

BCM-AE-1014

Total Marks - 30

**১। যোগাযোগ হ'ল—**

(ক) ভাব, ধাৰণা আৰু তথ্য আদান-প্ৰদান কৰা প্ৰক্ৰিয়া

(খ) বিনিময় ব্যৱস্থা

(গ) পৰিবহন ব্যৱস্হা

(ঘ) মানসিক অৱস্থা

**উত্তৰ ঃ** (ক) ভাব, ধাৰণা আৰু তথ্য আদান-প্ৰদান কৰা প্ৰক্ৰিয়া

**২। ব্যৱসায় যোগাযোগ হ'ল—**

(ক) ব্যৱসায়ৰ লাভ-লোকচান

(খ) ব্যৱসায় পৰিচালনা সংক্ৰান্তীয় যোগাযোগ

(গ) অৰ্থৰ আদান-প্ৰদান

(ঘ) আমদানি-ৰপ্তানি¼

**উত্তৰ ঃ** (খ) ব্যৱসায় পৰিচালনা সংক্ৰান্তীয় যোগাযোগ

**৩। যোগাযোগৰ পৰিসৰ কেনেকুৱা —**

(ক) যোগাযোগৰ পৰিসৰ সংকীৰ্ণ

(খ) যোগাযোগৰ পৰিসৰ ব্যাপক

(গ) যোগাযোগ একে ঠাইতে আবদ্ধ

(ঘ) যোগাযোগ কম সংখ্যক মানুহৰ মাজত আবদ্ধ

**উত্তৰ ঃ** (খ) যোগাযোগৰ পৰিসৰ ব্যাপক

**৪। মানুহৰ জীৱনৰ কোনখিনি সময়ত যোগাযোগৰ প্ৰয়োজন—**

(ক) মানুহৰ জীৱনত জন্মৰ পৰা মৃত্যুলৈকে যোগাযোগৰ প্ৰয়োজন

(খ) কেৱল জন্মৰ সময়ত প্ৰয়োজন

(গ) ছাত্ৰ জীৱনত প্ৰয়োজন

(ঘ) ধৰ্মীয় জীৱনত প্ৰয়োজন

**উত্তৰ ঃ** (ক) মানুহৰ জীৱনত জন্মৰ পৰা মৃত্যুলৈকে যোগাযোগৰ প্ৰয়োজন

**৫। ৰাষ্ট্ৰীয় যোগাযোগ —প্ৰকাৰৰ**

(ক) দুই প্ৰকাৰৰ

(খ) তিনি প্ৰকাৰৰ

(গ) চাৰি প্ৰকাৰৰ

(ঘ) ওপৰৰ এটাও নহয়

**উত্তৰ ঃ** (ক) দুই প্ৰকাৰৰ

**৬। আভ্যন্তৰীণ যোগাযোগ ৰাষ্ট্ৰৰ —কাম-কাজৰ লগত জড়িত**

(ক) আভ্যন্তৰীণ
(খ) বাহিৰৰ
(গ) ব্যৱসায়িক
(ঘ) সামূহিক
**উত্তৰ ঃ** (ক) আভ্যন্তৰীণ

**৭। বৈদেশিক যোগাযোগ ———যিকোনো কাম-কাজৰ লগত জড়িত হৈ থাকে**
(ক) দেশৰ বাহিৰৰ
(খ) ভিতৰৰ
(গ) ৰাজনৈতিক
(ঘ) ধৰ্মীয়
**উত্তৰ ঃ** (ক) দেশৰ বাহিৰৰ

**৮। ধৰ্ম প্ৰচাৰকে যোগাযোগৰ মাধ্যমেৰে নিজৰ নিজৰ — — প্ৰচাৰ কৰে।**
(ক) ধৰ্মৰ বাণী
(খ) মনৰ কথা
(গ) নাম
(ঘ) সমস্যা
**উত্তৰ ঃ** (ক) ধৰ্মৰ বাণী

**৯। মানুহ হৈছে — জীৱ**
(ক) ৰাজনৈতিক
(খ) সামাজিক
(গ) ধাৰ্মিক
(ঘ) আৱেগিক
**উত্তৰ ঃ** (খ) সামাজিক

**১০।** — হৈছে যোগাযোগৰ এক প্ৰথম আৰু প্ৰধান আহিলা।
(ক) ভাষা
(খ) অৰ্থ
(গ) সংস্কৃতি
(ঘ) ধৰ্মৰ প্ৰয়োজন
**উত্তৰ ঃ** (ক) ভাষা

**১১। ব্যৱসায়ৰ সফলতা কিহৰ ওপৰত নিৰ্ভৰশীল?**
(ক) ধৰ্মীয় কাম-কাজ
(খ) সুস্থ ব্যৱসায় যোগাযোগ
(গ) মানুহৰ কৰ্ম
(ঘ) ৰাজনৈতিক কাম-কাজ
**উত্তৰ ঃ** (খ) সুস্থ ব্যৱসায় যোগাযোগ

**১২। শিল্প-সম্পৰ্ক হৈছে—**
(ক) ছাত্ৰ-শিক্ষকৰ মাজৰ সম্পৰ্ক
(খ) শ্ৰমিক আৰু মালিকৰ মাজত স্থাপন হোৱা সম্পৰ্ক
(গ) ৰাজহুৱা সম্পৰ্ক
(ঘ) আৱেগিক সম্পৰ্ক

**উত্তৰ ঃ** (খ) শ্ৰমিক আৰু মালিকৰ মাজত স্থাপন হোৱা সম্পৰ্ক

**১৩। লিখিত যোগাযোগৰ এটা অসুবিধা হ'ল—**

(ক) অশিক্ষিত গ্ৰাহকৰ ওচৰত অৰ্থহীন

(খ) সময় কম লাগে

(গ) নিয়ন্ত্ৰণ কৰিব পাৰি

(ঘ) ওপৰৰ এটাও নহয়

**উত্তৰ ঃ** (ক) অশিক্ষিত গ্ৰাহকৰ ওচৰত অৰ্থহীন

**১৪। যোগাযোগৰ জৰিয়তে কিহৰ আদান-প্ৰদান হয়?**

(ক) ভাব, তথ্য, সংবাদ, মতামতৰ আদান-প্ৰদান

(খ) সামগ্ৰীৰ আদান-প্ৰদান

(গ) বিত্তীয় আদান-প্ৰদান

(ঘ) ধৰ্মৰ আদান-প্ৰদান

**উত্তৰ ঃ** (ক) ভাব, তথ্য, সংবাদ, মতামতৰ আদান-প্ৰদান

**১৬। যোগাযোগৰ এক প্ৰধান প্ৰয়োজনীয়তা হ'ল—**

(ক) সমন্বয় সাধন

(খ) সমস্যা বিচাৰ

(গ) অৰ্থৰ সন্ধান

(ঘ) ধৰ্মৰ সন্ধান

**উত্তৰ ঃ** (ক) সমন্বয় সাধন

**১৭। যোগাযোগ প্ৰক্ৰিয়াৰ লগত জড়িত এটা প্ৰধান দিশ হ'ল—**

(ক) সংবাদ প্ৰেৰক

(খ) অৰ্থ

(গ) ৰাজনীতি

(ঘ) ধৰ্ম

**উত্তৰ ঃ** (ক) সংবাদ প্ৰেৰক

**১৮। যোগাযোগ প্ৰক্ৰিয়াৰ এটা আৱশ্যকীয় উপাদান হ'ল—**

(ক) নীতি-নিয়ম

(খ) সংবাদ

(গ) মানুহৰ মন

(ঘ) ওপৰৰ এটাও নহয়

**উত্তৰ ঃ** (খ) সংবাদ

**১৯।** লিখিত যোগাযোগত ভাষা —ৰূপত ব্যৱহাৰ হয়।

(ক) লিখিত

(খ) কথিত

(গ) উপভাষাগত

(ঘ) ওপৰৰ এটাও নহয়

**উত্তৰ ঃ** (ক) লিখিত

**২০। যোগাযোগৰ দুটা প্ৰধান বিভাগ হ'ল—**

(ক) মৌখিক আৰু লিখিত যোগাযোগ

(খ) ধৰ্মীয় আৰু ৰাজনৈতিক যোগাযোগ

(গ) অৰ্থনৈতিক আৰু ৰাজনৈতিক যোগাযোগ
(ঘ) ধৰ্মীয় আৰু সামূহিক যোগাযোগ
**উত্তৰ ঃ** (ক) মৌখিক আৰু লিখিত যোগাযোগ

**২১। মৌখিক কথা-বাৰ্তাৰ মাধ্যমেৰে হোৱা যোগাযোগৰ নাম কি ?**
(ক) মৌখিক যোগাযোগ
(খ) লিখিত যোগাযোগ
(গ) অন্যান্য যোগাযোগ
(ঘ) ওপৰৰ এটাও নহয়
**উত্তৰ ঃ** (ক) মৌখিক যোগাযোগ

**২২। মৌখিক যোগাযোগৰ ক্ষেত্ৰত কাগজ-কলমৰ ব্যৱহাৰ—।**
(ক) আছে
(খ) নাই
(গ) হ'ব
(ঘ) ওপৰৰ এটাও নহয়
**উত্তৰ ঃ** (খ) নাই

**২৩। মৌখিক যোগাযোগৰ এটা প্ৰধান সুবিধা হ'ল—**
(ক) সময় বেছি লাগে
(খ) সহজে পৰিৱৰ্তন কৰিব পাৰি
(গ) লিখিব পাৰি
(ঘ) গ্ৰহণযোগ্য নহয়
**উত্তৰ ঃ** (খ) সহজে পৰিৱৰ্তন কৰিব পাৰি

**২৪। যোগাযোগৰ এবিধ বাধাৰ কাৰক হ'ল—**
(ক) সংস্কৃতিগত বাধা
(খ) অৰ্থ
(গ) ৰাজনীতি
(ঘ) শিক্ষা
**উত্তৰ ঃ** (ক) সংস্কৃতিগত বাধা

**২৫। লিখিত যোগাযোগৰ এটা সুবিধা হ'ল—**
(ক) সহজ আৰু গ্ৰহণযোগ্য
(খ) দ্ৰুত পৰিৱৰ্তন
(গ) খৰচ বেছি
(ঘ) অশিক্ষিত লোকৰ বাবে উপকাৰী
**উত্তৰ ঃ** (ক) সহজ আৰু গ্ৰহণযোগ্য

**২৬। ইলেকট্ৰনিক যোগাযোগৰ এটা মাধ্যম হ'ল—**
(ক) মোবাইল ফোন
(খ) কিতাপ
(গ) আলোচনী
(ঘ) কাগজ
**উত্তৰ ঃ** (ক) মোবাইল ফোন

**২৭। দলীয়ভাৱে যি যোগাযোগ স্থাপন হয়, তেনে যোগাযোগক বোলা হয়—**

(ক) দলীয় যোগাযোগ
(খ) ইলেকট্রনিক যোগাযোগ
(গ) দৰ্শন যোগাযোগ
(ঘ) নিম্নগামী যোগাযোগ
**উত্তৰ ঃ** (ক) দলীয় যোগাযোগ

**২৮। দুৰ্বল শব্দভাণ্ডাৰে যোগাযোগত বাধাৰ সৃষ্টি —**
(ক) নকৰে
(খ) কৰে
(গ) কেতিয়াবা কৰে
(ঘ) ওপৰৰ এটাও নহয়
**উত্তৰ ঃ** (খ) কৰে

**২৯। মানুহৰ জীৱনত যোগাযোগৰ প্ৰয়োজনীয়তা আছেনে?**
(ক) আছে
(খ) নাই
(গ) কেতিয়াবা প্ৰয়োজন হয়
(ঘ) প্ৰয়োজন নহয়
**উত্তৰ ঃ** (ক) আছে

**৩০। সংবাদ বা বাৰ্তা যাক উদ্দেশ্য কৰি প্ৰেৰণ কৰে, তেওঁক কোৱা হয়—**
(ক) প্ৰাপক বা গ্ৰাহক
(খ) সাংবাদিক
(গ) কৰ্মী
(ঘ) মাধ্যম
**উত্তৰ ঃ** (ক) প্ৰাপক বা গ্ৰাহক